# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-DEC-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

———————————————

অসমৰ চাহ শ্ৰমিকক কাম কৰিবলৈ অৰুণাচললৈ লৈ যোৱাটো চিন্তনীয় বিষয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মন্তব্য কৰিছে। শ্ৰমিকসকলক কোনোধৰণৰ অনুমতি নোহোৱাকৈ এনেদৰে লৈ যোৱা তথা সামাজিক নিৰাপত্তা নথকা ব্যৱস্থাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলিও তেওঁ উল্লেখ কৰিছে। চাহ বাগানৰ পৰা মানৱ সৰবৰাহ কৰাৰ অভিযোগৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে যেতিয়া ঘৰৰ যুৱকজন ক'লৈ গৈছে সেয়া পৰিয়ালৰ লোকে জ্ঞাত হয়, তেতিয়া তাক মানৱ সৰবৰাহৰ দৃষ্টিৰে চাব পৰা নাযায়। কোনোবাই প্ৰলোভন দিলেহে মানৱ সৰবৰাহ বুলি গণ্য কৰা হয়। অসমত ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি হ'লেহে এই সমস্যাৰ অন্ত পৰিব আৰু চাহ শ্ৰমিকৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ কয়।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী শৰ্মাই অৰুণাচল প্ৰদেশৰ আনজাওত সংঘটিত পথ দুৰ্ঘটনাত নিহত তিনিচুকীয়া জিলাৰ গেলাপুখুৰীৰ শ্ৰমিকসকলৰ পৰিয়ালক কালি সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই দুৰ্ঘটনাত প্ৰাণ ৰক্ষা পৰা তথা চিকিৎসাধীন অৱস্থাত থকা একমাত্ৰ লোকজনৰ আশু আৰোগ্য কামনা কৰাৰ লগতে তেওঁৰ সুচিকিৎসাৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ড০ শৰ্মাই দুৰ্ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ এককালীন সাহায্য আগবঢ়ায়। তদুপৰি আহত ব্যক্তিগৰাকীৰ চিকিৎসাৰ বাবেও মুখ্যমন্ত্ৰীৰ সাহায্য পুজিৰ পৰা এক লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাটোত নিহতসকলৰ পৰিয়ালক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ লগতে তেওঁলোকৰ সন্তানৰ পঢ়া-শুনাৰ বাবেও প্ৰয়োজনীয় সহায় আগবঢ়াবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত জাতীয় জীৱন সংগ্ৰামৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া বৰাগাঁৱত উপস্থিত হৈ যাৱতীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ প্ৰদান কৰে।

০০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যৰ কেইবাখনো জিলাত গাহৰি বিক্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞা বাতিলৰ বাবে আজি সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। শেহতীয়াকৈ নিষেধাজ্ঞা বলৱৎ হৈ থকা ৭ খন জিলাত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফিভাৰৰ লক্ষণ চিনাক্ত নোহোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এই সিদ্ধান্ত গ্ৰহণৰ কথা বিবেচনা কৰিছে বুলি পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে প্ৰকাশ কৰে। কালি ধেমাজিত এখন পৰ্যালোচনা বৈঠকত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে উল্লেখ কৰি কয়, যে আফ্ৰিকান ছোৱাইন ফিভাৰৰ শেহতীয়া পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়া তথা চিকিৎসকসকলৰ সৈতে আলোচনা কৰিছে। ক্ষতিগ্ৰস্ত গাহৰি পালকসকলক পৰ্যায়ক্ৰমে ক্ষতিপূৰণ দিব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (কৃষ্ণেন্দু পাল)**

০০০০০০

চৰাইদেউ জিলাত কালি নৱনিযুক্ত স্নাতকোত্তৰ আৰু স্নাতক পৰ্যায়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক বিদ্যালয়ভিত্তিক নিযুক্তি প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে সম্পন্ন হয়। এই উপলক্ষে সোণাৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা ১৩৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। চৰাইদেউ জিলা বিদ্যালয় পৰিদৰ্শক চৰাইদেউ জিলা বিদ্যালয় পৰিদৰ্শক কাৰ্যালয়ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ লগতে প্ৰশাসনৰ উচ্চপদস্থ বিষয়া আৰু শিক্ষা বিভাগৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০০০

কাছাৰ জিলা প্ৰশাসনে জনসাধাৰণ সুৰক্ষা আৰু আইন-শৃংখলা বৰ্তাই ৰখাৰ উদ্দেশ্যে জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত ততালিকে কাৰ্যকৰী হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিৰ্দেশ জাৰি কৰিছে। দুমাহলৈ বলবৎ হ'বলগীয়া এই নিৰ্দেশ অনুসৰি সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সুৰ্যোদয়লৈকে জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি বৰাক নদীৰ জলপথ আৰু নৈপৰীয়া অঞ্চলসমূহত চলাচল যাতায়ত আৰু মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে। একেদৰে সীমামূৰীয়া পাঁচ কিলোমিটাৰ এলেকাত নিশাৰ ভাগত চেনি, চাউল, ঘেঁহু আৰু খোৱা তেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী পৰিবহনতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে চৰকাৰী কামত নিয়োজিত কৰ্মচাৰীসকলক এই নিষেধাজ্ঞাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে।

০০০০০০

**সমাপ্ত**